# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-12-2024 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বীৰ শিশু দিৱসৰ অনুষ্ঠানত চৰকাৰে যুৱ শক্তিক সৱলীকৰণ কৰাৰ উদ্দেশ্যে আটাইতকৈ বেছি গুৰুত্ব প্ৰদান কৰিছে বুলি প্ৰকাশ কৰে।

২। কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা কৰ্তৃপক্ষ চি চি পি এ দেশৰ তিনিটা আগশাৰীৰ প্ৰতিযোগিতামূলক প্ৰশিক্ষণ প্ৰতিষ্ঠানক জৰিমনা বিহিছে।

৩। অহা বছৰৰ আগভাগত হ'বলগীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা আৰম্ভ হোৱা দেখা গৈছে।

৪। নিৰ্বাচন আয়োগে আজি ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ পৰিসংখ্যা প্ৰকাশ কৰিছে।

আৰু

৫। মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা অষ্ট্ৰেলিয়াই দিনান্তত ৬ উইকেটৰ বিনিময়ত ৩১১ ৰান সংগ্ৰহ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বিশ্বই যুৱ শক্তিৰ বাবে আশা আৰু আকাংক্ষাৰে ভাৰতলৈ চাইছে। নতুন দিল্লীত আজি আয়োজিত বীৰ শিশু দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয় যে চৰকাৰে যুৱ শক্তিক সৱলীকৰণ কৰাৰ উদ্দেশ্যে আটাইতকৈ বেছি গুৰুত্ব প্ৰদান কৰিছে। তেওঁ কয় যে ষ্টাৰ্ট-আপ ইকো-চিষ্টেম, মহাকাশ অৰ্থনীতি, ক্ৰীড়া, নিৰ্মাণ উদ্যোগ, দক্ষতা বিকাশ বা ইণ্টাৰ্ণশ্বিপ আঁচনি -এই সকলোবোৰ যুৱকেন্দ্ৰিক নীতিৰে যুগুত কৰা হৈছে যাতে ইয়াৰ দ্বাৰা যুৱ প্ৰজন্ম উপকৃত হয়। শ্ৰীমোদীয়ে কয় যে ষ্টাৰ্ট-আপৰ পৰা বিজ্ঞানলৈ, ক্ৰীড়াৰ পৰা ঔদ্যোগীকৰণলৈ যুৱ শক্তিয়ে নতুন বিপ্লৱৰ সূচনা কৰিছে। উদ্ভাৱনৰ ক্ষেত্ৰত উঠি অহা প্ৰজন্মক উৎসাহিত কৰিবলৈ দেশজুৰি ১০ হাজাৰতকৈও অধিক অটল টিংকাৰিং লেব স্থাপন কৰা হৈছে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ গণতন্ত্ৰৰ পৰিসৰ গুৰুসকলৰ শিক্ষা, গুৰুপুত্ৰসকলৰ ত্যাগ আৰু ৰাষ্ট্ৰীয় একতাৰ মূলমন্ত্ৰৰ আধাৰত গঢ়ি উঠিছে। শ্ৰীমোদীয়ে কয় যে গুৰুপুত্ৰসকলে সত্যৰ পথৰ পৰা কেতিয়াও বিচ্যুত হোৱা নাছিল, বৰং জীৱনকেই ত্যাগ কৰিছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে বীৰ শিশু দিৱসে দেশ আৰু দেশৰ স্বাৰ্থতকৈ একোৱেই যে ডাঙৰ নহয় সেই কথা আমাক বাৰুকৈয়ে শিকাইছে।

শ্ৰীমোদীয়ে কয়, যে ৰাজনীতিৰ সৈতে জড়িত নথকা পৰিয়ালৰ ১ লাখ যুৱকক অহা ২৫ বছৰৰ ভিতৰত দেশৰ ৰাজনীতিলৈ আনিবলৈ তেওঁৰ দলে প্ৰয়াস চলাইছে। তেওঁ ৰাজনীতিত যুৱ প্ৰজন্মক অংশগ্ৰহণৰ বাবেও আহ্বান জনায়। শ্ৰীমোদীয়ে কয়, যে অহা বৰ্ষত স্বামী বিবেকানন্দৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰত যুৱ নেতা অভিযান আৰম্ভ কৰা হ'ব। এই অভিযানত উন্নত ভাৰত গঢ়াৰ উদ্দেশ্য আৰু ৰূপৰেখা প্ৰস্তুত কৰাৰ বাবে দেশৰ গাঁও, নগৰ, আৰু মহানগৰৰ লাখ লাখ যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা কৰ্তৃপক্ষ চি চি পি এ দেশৰ তিনিটা আগশাৰীৰ প্ৰতিযোগিতামূলক প্ৰশিক্ষণ প্ৰতিষ্ঠানক জৰিমনা বিহিছে। এই প্ৰশিক্ষণ প্ৰতিষ্ঠানকেইটা হৈছে বাজিৰাও এণ্ড ৰেড্ডী ইনষ্টিটিউট, ষ্টাডি আই কিউ আই এ এছ প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু এ'ড্‌জ আই এ এছ প্ৰশিক্ষণ প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানকেইটাই কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২২ আৰু ২০২৩ চনৰ পৰীক্ষাৰ ফলাফল সন্দৰ্ভত বিভ্ৰান্তিকৰ দাবীৰে বিজ্ঞাপন দিয়াৰ বাবেই তেওঁলোকৰ বিৰুদ্ধে এই শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত বাজিৰাও এণ্ড ৰেড্ডী ইনষ্টিটিউট আৰু ষ্টাডি আই কিউ আই এ এছ প্ৰশিক্ষণ প্ৰতিষ্ঠান দুটাক ৭ লাখ টকাকৈ আৰু এ'ড্‌জ আই এ এছ প্ৰশিক্ষণ প্ৰতিষ্ঠানক ১ লাখ টকাৰ জৰিমনা বিহা হৈছে। উল্লেখযোগ্য যে চি চি পি এৰ মুখ্য আয়ুক্ত নিধি খাড়েৰ নেতৃত্বৰ এটা দলে এই বিভ্ৰান্তিকৰ বিজ্ঞাপন সন্দৰ্ভত অনুসন্ধান চলাই এই তিনিওটা প্ৰতিষ্ঠানে তেওঁলোকৰ প্ৰতিষ্ঠানত প্ৰশিক্ষণ লোৱা শিক্ষাৰ্থীয়ে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অভাৱনীয় সাফল্য লাভ কৰা বুলি কৰা ভুৱা দাবী ধৰা পেলায়। ২০১৯ চনৰ গ্ৰাহক সুৰক্ষা আইন অনুসৰি, ইচ্ছাকৃতভাৱে তথ্য লুকুওৱা অথবা মিছা আৰু বিভ্ৰান্তিকৰ বিজ্ঞাপনৰ প্ৰচাৰ চলোৱাটো শাস্তিযোগ্য অপৰাধ আৰু সেয়েহে এই আইনৰ অধীনত এই প্ৰতিষ্ঠানকেইটাৰ বিৰুদ্ধে এনে শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০

অহা বছৰৰ আগভাগত হ'বলগীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ মাজত বোকা ছটিওৱাৰ খেল আৰম্ভ হৈছে। দিল্লীৰ শাসনাধিস্থিত আম আদমী পাৰ্টীয়ে কংগ্ৰেছ দলে তেওঁলোকৰ দলক পৰাজিত কৰাৰ বাবে বিজেপিৰ সৈতে গোপন বুজাবুজি কৰিছে বুলি অভিযোগ কৰিছে। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদ মেলত আম আদমী পাৰ্টীৰ লোকসভাৰ সাংসদ সঞ্জয় সিঙে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা অজয় মাকেনে আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক দেশদ্ৰোহী বুলি অভিহিত কৰা কেতবোৰ মন্তব্যৰ বিৰোধিতা কৰি এই প্ৰতিঅভিযোগ উত্থাপন কৰে। ভিত্তিহীন আৰু কল্পনাপ্ৰসূত মন্তব্য কৰা অজয় মাকেনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ নকৰিলে ইণ্ডি মৰ্চাৰ পৰা কংগ্ৰেছক বহিস্কাৰ কৰিবলৈ মৰ্চাৰ অংশীদাৰ দলসমূহৰ প্ৰতি সঞ্জয় সিঙে আহ্বান জনায়। দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়েও আজি কংগ্ৰেছ দলৰ নেতাৰ এনে মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰে।

ইপিনে, কংগ্ৰেছ দলে আম আদমী পাৰ্টীৰ অভিযোগ প্ৰত্যাখান কৰিছে আৰু তেওঁলোকেহে মিথ্যাচাৰৰ আশ্ৰয় লৈছে বুলি অভিযোগ কৰিছে। দলৰ জ্যেষ্ঠ নেতা সন্দীপ দীক্ষিতে কয়, যে আম আদমী পাৰ্টীয়ে পূৰ্বেও বিভিন্ন দলৰ নেতাৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰাৰ নজিৰ আছে। সমাগত বিধানসভা নিৰ্বাচনত দিল্লীবাসীয়ে আম আদমী পাৰ্টীক প্ৰত্যাখান কৰিব বুলি নেতাগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

নিৰ্বাচন আয়োগে আজি ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ পৰিসংখ্যা প্ৰকাশ কৰিছে। সেই অনুসৰি বিগত লোকসভা নিৰ্বাচনত দেশৰ মুঠ ৬৪ কোটি ৬৪ লাখ ভোটদাতাই ভোটদান কৰিছিল। ইয়াৰ ভিতৰত ৬৫ দশমিক ৭-৮ শতাংশ মহিলা ভোটাদাতা আছিল। আয়োগে প্ৰকাশ কৰা ৪২খন বিস্তাৰিত পৰিসংখ্যাগত প্ৰতিবেদনত কোৱা হৈছে যে এইবাৰ পঞ্জীয়নভুক্ত তৃতীয় লিংগ ভোটাদাতাৰ সংখ্যা ২৩ দশমিক ৫ শতাংশ বৃদ্ধি পাইছে। ২০১৯ চনত তৃতীয় লিংগৰ ভোটাদাতা ২৭ দশমিক ৯ শতাংশ আছিল। ২০২৪ চনত এই ভোটাদাতাৰ সংখ্যা ১৪ দশমিক ৬-৪ শতাংশলৈ বৃদ্ধি পায়। এই বৰ্ষৰ সাধাৰণ নিৰ্বাচনত ৪০টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। ২০১৯ চনৰ সাধাৰণ নিৰ্বাচনত ৫৪০টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে। ইয়াৰোপৰি আয়োগে অন্ধ্ৰ প্ৰদেশ, অৰুণাচল

প্ৰদেশ, ওড়িশা আৰু ছিকিমত অনুষ্ঠিত বিধানসভা নিৰ্বাচন সন্দৰ্ভতো ১৪খন পৰিসংখ্যামূলক প্ৰতিবেদন আজি প্ৰকাশ কৰিছে।

০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ে সীমান্ত নিৰাপত্তা বাহিনী চমুকৈ বি এছ্ এফত তৃতীয় এম এ চি পি অৰ্থাৎ নিশ্চিত দৰমহা বৃদ্ধি আঁচনি বলবৎ কৰিবলৈ নিৰ্দেশ দিছে। বাহিনীটোৰ কেইগৰাকীমান অৱসৰপ্ৰাপ্ত বিষয়া আৰু জোৱানে চাকৰি জীৱনৰ ৩০ বছৰ সম্পূৰ্ণ কৰাৰ পাছত তৃতীয় এম এ চি পি লাভ কৰিবলৈ জনোৱা আবেদন বি এছ্ এফ কৰ্তৃপক্ষই প্ৰত্যাখান কৰাৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই  জনোৱা আবেদন মৰ্মে দিল্লী উচ্চ ন্যায়ালয়ে এই নিৰ্দেশ দিয়ে। আবেদনখনত তেওঁলোকে মূল দৰমহা আৰু পেন্সনৰ গাঁথনি সংশোধনীৰ ক্ষেত্ৰতো আদালতৰ হস্তক্ষেপ বিচাৰিছিল। উল্লেখযোগ্য যে ২০১৯ চনত দিল্লী উচ্চ ন্যায়ালয়ে বি এছ্ এফত বিভিন্ন পদবীৰ পৰা অৱসৰ গ্ৰহণৰ বাবে থকা ভিন ভিন বয়সসীমাৰ ব্যৱস্থাত বৈষম্যমূলক আৰু অসাংবিধানিক বুলি ৰায় দিছিল। এই ৰায়টোত উচ্চ ন্যায়ালয়ে সকলোবোৰ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীত অৱসৰ গ্ৰহণৰ উচ্চসীমা একে ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয় আৰু সংশ্লিষ্ট সকলো বাহিনীকে নিৰ্দেশ দিছিল। বি এছ্ এফত এই নিৰ্দেশ কাৰ্যকৰী নকৰা বুলি অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীসকলে আদালতত অভিযোগ দাখিল কৰিছিল।

০০০০০০০০০

পুডুচেৰী আৰু কৰাইকালৰ বিভিন্ন ঠাইত আজি বিংশতম ছুনামী স্মৃতি দিৱস পালন কৰা হয়। উপ-ৰাজ্যপাল কে কৈলাশনাথন আৰু মুখ্যমন্ত্ৰী এন ৰংগাস্বামীয়ে এই স্মৃতিচাৰণ সভাখনৰ অধ্যক্ষতা কৰে। উপস্থিত লোকসকলে ২০০৪ চনত এই বিধ্বংসী প্ৰাকৃতিক দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে সাগৰত দুগ্ধ আৰু ফুল অৰ্পণ কৰে। উল্লেখযোগ্য যে, এই বিপৰ্যয়ৰ পৰিণতিত আন বহুতো ৰাজ্যৰ লগতে তামিলনাডু, পুডুচেৰী, অন্ধ্ৰ প্ৰদেশ আৰু কেৰালাকে ধৰি দেশৰ বিভিন্ন স্থান ধ্বংসস্তূপত পৰিণত হৈছিল। লগতে পুডুচেৰীত ১০০জনতকৈও অধিক লোকে প্ৰাণ হেৰুওৱাৰ উপৰি হাজাৰ হাজাৰ লোক স্থানচ্যুত হৈছিল।

০০০০০০০০

মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা অষ্ট্ৰেলিয়াই দিনান্তত ৬ উইকেটৰ বিনিময়ত ৩১১ ৰান সংগ্ৰহ কৰে। আজি অষ্ট্ৰেলিয়াই টচত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু লাবুচেঙৰ ৭২, চেম কনষ্টাছৰ  ৬০, ওচমান খোৱাজাৰ ৫৭ আৰু ষ্টিভেন স্মিথৰ অপৰাজিত ৬৮ ৰানৰ সহায়ত ৩০০ ৰান অতিক্ৰম কৰে। অধিনায়ক পেট কামিন্‌ছে ৮ ৰান কৰি ষ্টিভেন স্মিথৰ সৈতে বেট ধৰি আছে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা আৰু আকাশদীপ, ৰবীন্দ্ৰ জাদেজা আৰু ৱাশ্বিংটন সুন্দৰে এটাকৈ উইকেট দখল কৰিছে।

০০০০০০০

পুডুচেৰীত আজি বীৰ শিশু দিৱস উদযাপন কৰা হয়। উপ-ৰাজ্যপাল কে কৈলাশনাথনে মুকলি কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰী এন ৰংগস্বামীয়ে সভাপতিত্ব কৰে। আদৰণি ভাষণত শ্ৰীকৈলাশনাথনে সাহসিকতা, দেশপ্ৰেম আৰু শিশুৰ ত্যাগ সন্দৰ্ভত আলোকপাত কৰে।

০০০০০০০

সমাপ্ত